অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ❒ মঙলবাৰ, ৩১ জানুৱাৰী, ২০২৩ ❒ ১৬ মাঘ, ১৯৪৪ শক

# প্ৰখ্যাত অলিম্পিক খেলুৱৈ জফৰ ইকবাল আহমেদৰ উপস্থিতিত বুজাবুজি চুক্তি

**ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ** হকীত অলিম্পকৰ সোণৰ পদক লাভেৰে ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই অনা তথা ক্ৰীড়াৰ সৰ্বোচ্চ সন্মান অৰ্জুন বঁটা আৰু পদ্মশ্ৰী সন্মানেৰে বিভূষিত জফৰ ইকবাল আহমেদ আৰু কলকাতাস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা নীতা বন্দোপাধ্যায়ৰ উপস্থিতিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সভাকক্ষত ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত আজি এক ঐতিহাসিক বুজাবুজি চুক্তি সম্পন্ন হয়। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ হৈ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগীয়ে আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ হৈ স্বাক্ষৰ কৰে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। অনুষ্ঠানটোত উপস্থিত থাকি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জে পি বাৰ্মাই কয়— এই বুজাবুজি চুক্তিৰ জৰিয়তে দুয়োটা অনুষ্ঠানৰ ক্ৰীড়াৰ দিশটোত নতুনত্ব অহাৰ লগতে ছাত্ৰ-ছাত্ৰীসকল বহুখিনি উপকৃত হ'ব পাৰিব। বুজাবুজি চুক্তিত স্বাক্ষৰ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— এইবুজাবুজি চুক্তিয়ে দুয়োটা অনুষ্ঠানৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়াৰ মানসিকতা আৰু অধিক বৃদ্ধি কৰাত সহায় কৰিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক পঞ্জীয়ক ড০ অনন্ত কুমাৰ দত্ত, আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগীক সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা ড০ সুনন্দা চাহু, আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগীক সম্পৰ্কৰক্ষী সমন্বয়ক তথা গ্ৰান্থাগাৰিক ড০ পল্লৱী গগৈকে ধৰি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী উপস্থিত থাকে।



মনোনিৱেশ নকৰা হৈছে।' ডিব্ৰুগড় জিলা লেখিকা সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত ১৭ জানুৱাৰীত অনুষ্ঠিত ৭২ সংখ্যক শিল্পী দিৱসত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। তেওঁ কয় — ভাল কাম কৰা, ভাল চিন্তা কৰা সামান্য এচাম মানুহ মানুহ সমাজত জীয়াই থকাৰ বাবেই সমাজখন এতিয়াও কিছু ইতিবাচক দিশত গৈ আছে। সমাজৰ সৰ্ব দিশতে বিশৃংখল, বিভেদে ভৰি পৰা বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— জ্যোতি প্ৰসাদৰ দৰে ব্যক্তিয়ে সমাজৰ মংগলৰ বাবে চিন্তা কৰিছিল। জ্যোতি প্ৰসাদে সমাজৰ সৰ্ব্বোত্তম পৰিৱৰ্তন কামনা কৰিছিল। সেইগৰাকী মহান ৰূপকোঁৱৰকো এতিয়া লাহে লাহে মানুহে চিনি নোপোৱা হৈছে বুলি মন্তব্য কৰি কয়— উঠি গৈগৈয়ে আতিথৰা অনুষ্ঠানত ডিব্ৰুগড় জিলা লেখিকা সমাজৰ শীৰ্ষক গীত 'আমি এজাক জোনাকীৰ ভিডিঅ' শুভমুক্তি কৰে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। অনুষ্ঠানটিত গীত, কবিতা আবৃত্তি আদিৰ উপৰিও ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সদস্যসকলে জ্যোতিৰ জীৱন ভিত্তিক এখন সংগীতালেখ্য পৰিৱেশন কৰে। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী লিজা সোণোৱালে এটি জ্যোতি সংগীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটিত ডিব্ৰুগড় জিলা লেখিকা সমাজৰ উপদেষ্টা তথা কানৈ মহবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড০ চুলতানা হাজৰিকা, ডিব্ৰুগড় জিলা লেখিকা সমাজৰ উপ-সভানেত্ৰী তথা শ্ৰীভাৰতী মহাবিদ্যালয়ৰ অধ্যাপিকা বন্দনা মহন্ত, জ্যেষ্ঠ অনাতাঁৰ শিল্পী কুলেন বুঢ়াগোহাঁই, নৱ বৰাকে ধৰি গন্যমান্য ব্যক্তি, অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

উদ্দেশ্যি এক মননশীল বক্তব্য প্ৰদান কৰে। প্ৰসংগ ক্ৰমে তেওঁ উল্লেখ কৰে যে ২০৩০ বৰ্ষৰ ভিতৰত ভাৰতবৰ্ষখনক এখন 'ন'লেজ ছ'চাইটি' হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই এক বলিষ্ঠ ভূমিকা পালন কৰিব লাগিব। অনুষ্ঠানটিত এন এছ এছৰ প্ৰগ্ৰেম অফিচাৰ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ বিৰাজ দত্তই ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ ইতিহাস তথা কিদৰে ভাৰত চৰকাৰে উক্ত দিৱসটি ২০১১ চনৰ পৰা অনুষ্ঠিত কৰি আহি যুৱ ভোটাৰসকলক ভাৰতীয় নিৰ্বাচনী ব্যৱস্থাত অন্তৰ্ভুক্ত আৰু যুৱশক্তিক দেশখনৰ উন্নয়নত অংশীদাৰ হ'বলৈ ... জনায়। ভোটাৰ দিৱসৰ